# প্ৰতিভা ৰায়ৰ যাজ্ঞসেনী উপন্যাসত নাৰী ভাৱনা

*পূজা বৰা*

**সাৰাংশ**

মহাভাৰতৰ কেন্দ্ৰীয় চৰিত্ৰ দ্ৰৌপদীৰ জীৱন পৰিক্ৰমাক মূল উপজীব্য বিষয় হিচাপে লৈ ভাৰতৰ প্ৰান্তীয় ভাষাসমূহত ভিন্নধৰ্মী সাহিত্যকৰ্মৰ সৃষ্টি হৈছে। ১৯৯১ চনত জ্ঞানপীঠৰ সন্মানীয় মূৰ্তি দেৱী বঁটা প্ৰাপ্ত প্ৰতিভা ৰায়ৰ অনন্য সৃষ্টি 'যাজ্ঞসেনী' উপন্যাসৰ মাজেৰে বাংময় হৈ উঠিছে দ্ৰৌপদীৰ যন্ত্ৰণাক্লিষ্ট জীৱনৰ সকৰুণ প্ৰতিচ্ছবি। দ্ৰৌপদীৰ মন-গহনত পুঞ্জীভূত হৈ থকা ক্ষোভ-অভিমান, অব্যক্ত ভাৱৰাশিক অত্যন্ত হৃদয়গ্ৰাহী ৰূপত তুলি ধৰাৰ প্ৰয়াস উপন্যাসখনত বিদ্যমান। নাৰী মনঃস্তত্বৰ বিভিন্ন দিশ উন্মোচনৰ জৰিয়তে প্ৰতিভা ৰায়ে দ্ৰৌপদীৰ দৃষ্টিকোণেৰে মহাভাৰতক নতুন ৰূপত পাঠকৰ সমীপত উপস্থাপন কৰিছে। পঞ্চপাণ্ডৱৰ জায়া আৰু পাণ্ডু পৰিয়ালৰ কুলবধূৰ সন্মান যাজ্ঞসেনীৰ বাবে যেন অভিশাপৰ নামান্তৰ মাথোঁ। দ্ৰৌপদীৰ মন-সমীক্ষণত হোৱা আত্মোপলব্ধি, দ্বন্দ্ব, প্ৰশ্নৰ অনেক অনুষংগৰ অভিনৱ অৱলোকন 'যাজ্ঞসেনী' উপন্যাসত প্ৰতিফলিত নাৰী ভাৱনা সম্পৰ্কে এই প্ৰবন্ধটোত আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

**সূচক শব্দ ঃ** যাজ্ঞসেনী, নাৰী ভাৱনা, উপন্যাসৰ পুনৰ নিৰ্মাণ শৈলী।

**প্ৰস্তাৱনা**

সম্প্ৰতি আধুনিক সৃষ্টিশীল সাহিত্যত ৰামায়ণ, মহাভাৰত, পুৰাণ আদি প্ৰাচীন পুথিত বৰ্ণিত ঘটনাৱলীক নব্য দৃষ্টিভংগী, নতুন তাৎপৰ্যৰে সমৃদ্ধ কৰি ভাৰতৰ বিভিন্ন প্ৰান্তীয় ভাষাত এক শ্ৰেণীৰ মননশীল উপন্যাস ৰচনাৰ ধাৰা সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। প্ৰাচীন মহাকাব্যিক গ্ৰন্থৰাজিক আধাৰ হিচাপে লৈ নতুন ব্যঞ্জনাৰে সংপৃক্ত কৰি আধুনিক সাহিত্যত উপস্থাপন কৰা এই বিশেষ ৰীতিৰ উপন্যাস সৃষ্টিৰ ধাৰাই অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনকো প্ৰভাৱান্বিত কৰিছে। এই শ্ৰেণীৰ উপন্যাসক সমালোচক গোবিন্দ প্ৰসাদ শৰ্মাই 'পৌৰাণিক উপন্যাস' (mythological novel) ৰূপে অভিহিত কৰিছে। আশীৰ দশকৰ শেষৰফালে ত্ৰৈলোক্য ভট্টাচাৰ্যই সপ্তকাণ্ড ৰামায়ণৰ উত্তৰাকাণ্ডৰ আধাৰত ৰচনা কৰা 'উত্তৰাকাণ্ড' (১৯৮৭) এই ধাৰাৰ উপন্যাস সৃষ্টিৰ প্ৰথম প্ৰয়াস ৰূপে পৰিগণিত হৈছে। পৰৱৰ্তী সময়ত প্ৰথিতযশা সাহিত্যিক চন্দ্ৰ প্ৰসাদ শইকীয়াই মহাভাৰতৰ কাহিনীৰ অৱলম্বনত মহাৰথী 'কৰ্ণ'ৰ চৰিত্ৰক আধুনিক মনঃস্তত্বৰ আধাৰত বিচাৰ-বিশ্লেষণ কৰি ৰচনা কৰা



'মহাৰথী' (১৯৯২) উপন্যাসখনৰ জৰিয়তে পৌৰাণিক উপন্যাসৰ ধাৰাক সমৃদ্ধ কৰে। অসমীয়া সাহিত্যত সাম্প্ৰতিক সময়লৈকে ৰচিত হোৱা পৌৰাণিক উপন্যাসৰাজিৰ ভিতৰত মাণিক শইকীয়াৰ 'পিতামহৰ শৰশয্যা' (১৯৯৩), বীৰেন বৰকটকীৰ 'পিতামহ' (১৯৯৮), খৰ্গেশ্বৰ ভূঞাৰ 'যুৱৰাজ' (১৯৯৮), বগাৰাম নাথৰ 'যদা যদাহি ধৰ্মস্য গ্লানি' (২০০১), মুনিন্দ্ৰ নাথ শৰ্মাৰ 'কালগ্ৰস্ত প্ৰেমিকা দেৱযানী' (২০০৫), খৰ্গেশ্বৰ ভূঞাৰ 'কৃষ্ণবিষ্ণোবাসুদেৱ' (২০০৭), কল্যাণী মহন্তৰ 'বৈদেহী' (২০০৮), ড° মালিনীৰ 'বিদেহ নন্দিনী' (২০০৯) আৰু 'কাশীকন্যা অম্বা' (২০১০), জয়শ্ৰী গোস্বামী মহন্তৰ 'গান্ধাৰী' (২০১০), পল্লবী ডেকা বুজৰবৰুৱাৰ 'কুঞ্জপৃথিৱীৰ কৃষ্ণপ্ৰিয়া' (২০১১) আৰু গীতালী বৰাৰ 'বুদ্ধজায়া' ইত্যাদি উল্লেখযোগ্য। কেৱল অসমীয়া ভাষাতে নহয়; ভাৰতৰ অন্যান্য প্ৰান্তীয় ভাষাতো বহুসংখ্যক পৌৰাণিক উপন্যাস ৰচিত হৈছে। মাৰাঠী ভাষাত বিষ্ণু সখাৰাম খাণ্ডেকাৰে 'যযাতী' শীৰ্ষক উপন্যাসৰ বাবে ১৯৭৪ চনৰ জ্ঞানপীঠ বঁটাৰে সন্মানিত হৈছে। মহাভাৰতীয় তথা বৈদিক প্ৰেক্ষাপটত উড়িয়া ভাষাত প্ৰতিভা ৰায়ৰ 'যাজ্ঞসেনী' (১৯৮৫), নৰসিংহ চৰণ পাণ্ডৰ 'সপ্তসিন্ধু' (১৯৮১-৮২) ইত্যাদি উপন্যাস ৰচিত হৈছে। ঋষি অগস্ত্য আৰু স্ত্ৰী লোপামুদ্ৰাৰ আৰ্য-অনাৰ্যৰ সম্প্ৰীতি আৰু সদ্ভাৱনা চেষ্টাৰ কাহিনীয়ে সমকালীন প্ৰাসংগিকতা বহন কৰে। অনাদি চাহুৰ 'বৰুণ' (১৯৮৯), 'জৰাসন্ধ' (১৯৯০), 'ময়' (১৯৯১), শান্তনু আচাৰ্যৰ 'শকুন্তলা'ৰ মাজত পৌৰাণিক চেতনাৰ নবীন স্বৰ অতি স্পষ্ট। বঙলা সাহিত্যতো পুনৰ নিৰ্মাণ শৈলীৰে ড° দীপক চন্দ্ৰই প্ৰায় ডেৰকুৰি উপন্যাসৰ সৃজন কৰিছে। তদুপৰি সমৰেশ বসুৰ 'শাম্ব', সত্যজীৱন দাসৰ 'চন্দ্ৰভাগা দ্ৰৌপদী', হীৰেন সান্যালৰ 'মহাভাৰতেৰ দৰ্পনে' ইত্যাদি উপন্যাস এই ক্ষেত্ৰত উল্লেখযোগ্য সৃষ্টি। (মজুমদাৰ, পৃ. ২০২-২০৩)।

মহাভাৰতৰ যুগজয়ী চৰিত্ৰ দ্ৰৌপদীৰ অভিশপ্ত জীৱন গাঁথাক পুনৰ নিৰ্মাণ শৈলীৰে মৰ্মস্পৰ্শী ৰূপত অংকন কৰি সাম্প্ৰতিক সময়লৈকে অসমীয়া ভাষাত তিনিখন চিত্তাকৰ্ষক উপন্যাস ৰচিত হৈছে। — ৰবীন্দ্ৰ বৰাৰ 'দ্ৰৌপদী' (১৯৯৬) সান্তনাময়ী মজুমদাৰৰ 'যাজ্ঞসেনী' (১৯৯৯) আৰু ড° মালিনীৰ 'যাজ্ঞসেনী' (২০০৮)। এনে ধৰণৰে সমগোত্ৰীয় বিষয়বস্তুৰ আধাৰত সৃষ্ট ১৯৯১ চনত জ্ঞানপীঠৰ সন্মানিত মূৰ্তি দেৱী বঁটাপ্ৰাপ্ত আৰু সাৰলা বঁটাপ্ৰাপ্ত উড়িয়া উপন্যাস 'যাজ্ঞসেনী' প্ৰতিভা ৰায়ৰ সাহিত্যিক জীৱনৰ অবিস্মৰণীয় কীৰ্তি। মহাভাৰতৰ কালজয়ী চৰিত্ৰ দ্ৰৌপদীৰ মহত্বক উদ্ভাসিত কৰি মনস্তাত্বিক দৃষ্টিভংগীৰে নাৰী হৃদয়ৰ ভাব-অনুভূতিক অত্যন্ত সংবেদনশীলভাৱে মৰ্মন্তুদ ৰূপত অভিব্যঞ্জিত কৰিছে ঔপন্যাসিকাই 'যাজ্ঞসেনী' উপন্যাসৰ মাজেৰে। 'পদ্মশ্ৰী' সন্মানেৰে বিভূষিত উড়িশাৰ প্ৰথিতযশা সাহিত্যিকগৰাকীৰ যুগজয়ী সৃষ্টি 'যাজ্ঞসেনী'ৰ মাজেৰে গ্ৰথিত হৈছে দ্ৰৌপদীৰ যন্ত্ৰণাময় জীৱনৰ জীয়া ছবি। পঞ্চপতি থকা সত্বেও অপমান লাঞ্ছনাৰে জৰ্জৰিত হৈ, গুণী-জ্ঞানী বিদগ্ধ বীৰপুৰুষ জ্যেষ্ঠসকলেৰে সমাবিষ্ট ৰাজসভাতে বিবস্ত্ৰ হোৱাৰ দৰে বীভৎস নাৰকীয় অধ্যায়েৰে ক্ষত-বিক্ষত যাজ্ঞসেনীৰ মন-সমীক্ষণৰ প্ৰতিটো দিশৰ সূক্ষ্মাতিসূক্ষ্ম বিশ্লেষণেৰে ঔপন্যাসিকাই নতুন ৰূপত দ্ৰৌপদীক পাঠকৰ সমীপত দাঙি ধৰিছে। ধৰ্ম সংস্থাপনৰ বৃহৎ স্বাৰ্থৰ তাড়নাত ক্ষুদ্ৰ সমস্ত ভাৱনা পৰিত্যাগ কৰি জীৱনৰ আহুতি দিয়া বিদূষী নাৰী সত্বা 'দ্ৰৌপদী'ৰ আত্মসংযম, সতীত্ব, মমত্ব আদি গুণেৰে প্ৰজ্ঞাৱান উজ্জ্বল ব্যক্তিত্বক মনোৰম কথকতাৰে ঔপন্যাসিকাই চিত্ৰায়ণ কৰিছে।

## বিষয়বস্তুৰ আলোচনা

প্ৰতিভা ৰায়ৰ অভিনৱ সৃষ্টি ‘যাজ্ঞসেনী’ উপন্যাসৰ আৰম্ভণিতে ঔপন্যাসিকাই সংযোজন কৰিছে এখন চিঠিৰ। স্বৰ্গাৰোহণৰ অভিমুখে যাত্ৰাৰত হৈ হিমালয়ৰ পাদদেশত পিছলি পৰি ৰোৱা যাজ্ঞসেনীয়ে সমগ্ৰ জীৱন কাহিনী বৰ্ণাই অতীত ৰোমন্থনেৰে হৃদয়ত পুঞ্জীভূত হৈ থকা মনোকষ্ট, মান-অভিমান, অভিযোগ উজাৰি প্ৰিয়তম সখা ‘কৃষ্ণ’ক সম্বোধন কৰি লিখা চিঠিখনক আশ্ৰয় কৰিয়ে উপন্যাসখনৰ কাহিনীভাগে পোখা মেলিছে। পঞ্চপতিৰ চৰণত সমগ্ৰ জীৱন নিজকে উৎসৰ্গা কৰা সত্বেও ওৰে জীৱন ব্যংগ-বিদ্ৰূপ, অপমান-লাঞ্ছনাৰে মধিমূৰ হৈ জীৱনাৱৰ্তৰ অন্তিম ক্ষণত উপনীত হোৱাৰ পৰিশেষত পতি-পত্নীৰ সম্পৰ্কৰ অসাৰতা; প্ৰেম-ভালপোৱা-ত্যাগ আদিৰ অৰ্থহীনতাক লৈ যাজ্ঞসেনীৰ যি উপলব্ধি হৈছে, সেই কাৰুণ্যৰে সংপৃক্ত ব্যঞ্জনাক অতি মৰ্মস্পৰ্শী ৰূপত ঔপন্যাসিকাই অভিব্যক্ত কৰিছে। যাজ্ঞসেনীৰ ক্ষত-বিক্ষত হৃদয়ৰ পৰা নিঃসৃত সংঘাতময় জীৱন পৰিক্ৰমাৰ আত্মকথাই যদি সখা কৃষ্ণৰ হিয়াত এটি হুমুনিয়াহৰো উদ্ৰেক কৰিবলৈ সক্ষম হয় তেন্তে তেওঁৰ জীৱনে সাৰ্থকতা লাভ কৰিব বুলি দ্ৰৌপদীয়ে পৰম ব্ৰহ্মৰ পাদপদ্মত অৰ্ঘ্য নিবেদন কৰিছে। সময়ে দ্ৰৌপদীক দেৱীৰ মৰ্যাদাৰে অলংকৃত কৰিলেও, ‘পঞ্চসতী’ৰ মাজত স্থান দিলেও জীয়াই থকা কালছোৱাত সীমাহীন যন্ত্ৰণা-লাঞ্ছনাৰ সাগৰত আকণ্ঠ ডুব গৈ থকা যাজ্ঞসেনীৰ বাবে সেই সন্মান, বিড়ম্বনা ব্যতিৰেকে একো নহয় বুলি দ্ৰৌপদীৰ মনৰ আক্ষেপ আৰু মনোবেদনাক প্ৰথম পুৰুষত বৰ্ণিত উপন্যাসখনত লেখিকাই অতি সহৃদয়তাৰে অংকন কৰিছে।

উপন্যাসখনৰ এক অন্যতম উল্লেখনীয় দিশ সমগ্ৰ আৰ্যাৱৰ্তৰ শ্ৰেষ্ঠ পুৰুষ ‘কৃষ্ণ’ আৰু দ্ৰুপদ নন্দিনী ‘কৃষ্ণা’ অৰ্থাৎ দ্ৰৌপদীৰ আত্মিক সম্পৰ্কৰ অভিনৱ কল্পচিত্ৰৰ অংকন। পিতৃৰ অপমানৰ প্ৰতিশোধ ল’বলৈ জন্মা অগ্নিসম্ভূতা সুলক্ষণা, তেজস্বিনী যাজ্ঞসেনীৰ মাধ্যমেদি পৃথিৱীত দুষ্টৰ বিনাশ আৰু ধৰ্মৰ সংস্থাপনৰ প্ৰসংগৰ সৈতে কৃষ্ণৰো মানৱী জীৱনৰ চৰম লক্ষ্য ধৰ্ম ৰক্ষা আৰু ধৰ্ম সংস্থাপনৰ প্ৰসংগৰ সাযুজ্যৰে ঔপন্যাসিকাই কৃষ্ণ আৰু কৃষ্ণাৰ অভিন্ন অপাৰ্থিৱ সম্পৰ্কৰ চিত্ৰ উদ্ভাসিত কৰি তুলিছে। উপন্যাসখনৰ আৰম্ভণিৰ পৰা শেষলৈকে কৃষ্ণ আৰু যাজ্ঞসেনীৰ নিগূঢ় সম্পৰ্কৰ বিভিন্ন কল্পচিত্ৰ সংযোজনৰ জৰিয়তে লেখিকাই ভগৱান আৰু ভক্তৰ নিষ্কলুষ স্বৰ্গীয় প্ৰেমৰ মাধুৰ্য্য পাঠকৰ সমীপত উপস্থাপন কৰিছে। যাজ্ঞসেনীৰ অৰ্জুনৰ প্ৰতি থকা প্ৰেমৰ মাজেৰেও কৃষ্ণ প্ৰেমৰেই যেন ঝংকাৰ অনুৰণিত হৈছে। দ্ৰৌপদীৰ পাৰ্থিৱ সত্ত্বাই পৰমাত্মাৰ জ্যোতিৰ্ময় সত্বাৰ মাজত অৱগাহন কৰি পূৰ্ণতা লাভ কৰাৰ চিত্ৰ ঔপন্যাসিকাই অংকন কৰিছে।

প্ৰতিভা ৰায়ৰ ‘যাজ্ঞসেনী’ত দ্ৰৌপদীৰ স্বয়ম্বৰৰ উপলক্ষ্যে আয়োজিত উৎসৱমুখৰ পৰিৱেশৰ বহুল বৰ্ণনা সন্নিৱিষ্ট কৰা হৈছে। স্বয়ম্বৰৰ পূৰ্বে অৰ্জুনৰ মৃত্যু সংবাদে যাজ্ঞসেনীৰ মনত সৃষ্টি কৰা অন্তৰ্দ্বন্দ্বৰ ছবি ঔপন্যাসিকাই অতি সুনিপুণভাৱে অংকন কৰিছে— ‘কিন্তু আজি অৰ্জুনৰ বাদে কোনোবা বেলেগে যদি চৰ্ত পূৰণ কৰি সফল হয়ো, মই তেওঁত বৰমাল্য অৰ্পণ কৰি মোৰ আত্মাক কলুষিত কৰিব নোৱাৰোঁ।’ (ৰায়, পৃ.- ৩০)

স্বয়ম্বৰ সভাত উপস্থিত পুৰুষসকলৰ লোলুপ দৃষ্টিৰ সমীপত যাজ্ঞসেনীৰ অসহায় অৱস্থাক অতি সংবেদনশীলতাৰে লেখিকাই উপস্থাপন কৰিছে। হেজাৰজন ৰজা-মহাৰজাৰ কামাতুৰ দৃষ্টিৰ সন্মুখত এগৰাকী স্বয়ম্বৰা ৰাজকন্যাৰ যি লজ্জাজনক নিঃসহায় অৱস্থা সেয়া যেন এজাক ভ্ৰমৰেহে উপলব্ধি কৰি যাজ্ঞসেনীক চৌপাশে আৱৰি ধৰি সাহায্য প্ৰদান কৰিছে। পুনৰ নিৰ্মাণ শৈলীৰে ঔপন্যাসিকাই এই প্ৰসংগটো দাঙি



ধৰিছে এনেদৰে —

> ‘ইমানবিলাক পুৰুষৰ লোলুপ দৃষ্টি দেখি মই লজ্জিতা হৈ পৰিলো। ওৰণিৰে মুখখন ঢাকি ল’বৰ মন গ’ল। মোৰ মনৰ ভাব বুজি সভাস্থলীত সুসজ্জিতকৈ ৰখা পুষ্পকুণ্ডবোৰৰ আশে-পাশে ভ্ৰমি থকা ভ্ৰমৰবোৰেও আহি মোক আগুৰি ধৰিলে।... ভ্ৰমৰ যদিও সিহঁতৰ সহৃদয়তা আৰু উদাৰতাত মই কৃতজ্ঞ নহৈ নোৱাৰিলোঁ।’ (ৰায়, পৃষ্ঠা ৩৭)

স্বয়ম্বৰ সভাত কৰ্ণ চৰিত্ৰৰ প্ৰসংগৰ উপস্থাপন মন কৰিবলগীয়া। বীৰ কৰ্ণৰ অপমানৰ বাবে দ্ৰৌপদীৰ হৃদয়ত জন্মা অপৰাধী দোষী ভাবৰ চিত্ৰ প্ৰতিভা ৰায়ে সজীৱ ৰূপত অংকন কৰিছে। মহাভাৰতৰ মহাপ্ৰাণ চৰিত্ৰ মহাৰথী কৰ্ণৰ চৰিত্ৰক ঔপন্যাসিকাই সহৃদয়তাৰে ৰূপায়ণ কৰিছে। পঞ্চপতিৰ জায়া হৈয়ো সদা উপহাসৰ পাত্ৰী যাজ্ঞসেনীৰ নিঃসহায়, সকৰুণ, নিঃসংগ অৱস্থাক অতি হৃদয়স্পৰ্শী ৰূপত উপন্যাসখনত উত্থাপন কৰা হৈছে। কুন্তীৰ মুখৰ পৰা নিৰ্গত এযাৰ বচন ৰক্ষা কৰাৰ খাতিৰত, কেৱল মাত্ৰ অৰ্জুনৰ প্ৰেমত মোহাচ্ছন্ন দ্ৰৌপদীয়ে নিজৰ অনুভূতিৰ জলাঞ্জলি দি, অনিচ্ছাসত্বেও পঞ্চপাণ্ডৱক স্বামী বৰণ কৰিবলৈ বাধ্য হোৱা মনোকষ্টৰ পৰা উদ্ভূত গভীৰ অন্তৰ্দ্বন্দ্বৰ অনুষংগ উপন্যাসখনৰ মাজেৰে প্ৰতিভাত হৈছে। পঞ্চপতিৰ সৈতে যুগ্মজীৱন যাপনৰ জটিলতাৰ চিত্ৰ উপন্যাসখনত স্পষ্ট ৰূপত অংকন কৰা হৈছে। পঞ্চপতিৰ সৈতে জীৱন অতিবাহিত কৰোঁতে সন্মুখীন হোৱা সমস্যাৰ পৰা পৰিত্ৰাণ পাবলৈ কৃষ্ণই তেওঁৰ পৰিচাৰিকা, ‘মায়া’ক যাজ্ঞাসেনীলৈ উপহাৰ হিচাপে আগবঢ়োৱা প্ৰসংগটো ড° প্ৰতিভা ৰায়ৰ ‘যাজ্ঞসেনী’ উপন্যাসখনৰ পুনৰ-নিৰ্মাণৰ প্ৰকৃষ্ট উদাহৰণ বুলিব পাৰি। প্ৰকৃততে জীৱন মায়া-মোহৰ প্ৰপঞ্চৰে আবৃত সেই কথাৰে প্ৰতীকী উপস্থাপন ‘মায়া’।

তৃতীয় পাণ্ডৱ অৰ্জুনে বনবাসী হৈ থকা অৱস্থাতে উলুপী, আৰ্যা, চিত্ৰাংগদা আৰু পৰিশেষত সুভদ্ৰাৰ সৈতে বিবাহপাশত আৱদ্ধ হোৱাৰ বাৰ্তাই দ্ৰৌপদীৰ মনত উদ্ৰেক কৰা স্বভাৱজাত নাৰীসুলভ ঈৰ্ষাপৰায়ণতা তথা মনোবেদনাৰ চিত্ৰক ঔপন্যাসিকাই সাৱলীলভাৱে অংকন কৰিছে। কিন্তু যাজ্ঞসেনী সাধাৰণ নাৰীতকৈ ব্যতিক্ৰম এইখিনিতেই যে ঈৰ্ষাৰ দাবানল অতিক্ৰম কৰি ৰাজনৈতিক লাভালাভৰ স্বাৰ্থত স্বামীয়ে তেওঁলোকৰ পাণিগ্ৰহণ কৰিছে বুলি উদাৰতাৰে সেই কাৰ্য স্বীকাৰ কৰি বিদূষী নাৰীৰ শাৰীলৈ উত্তীৰ্ণ হৈছে। কিন্তু বিদূষী নাৰীৰ সন্মানেৰে নিজকে আভুষিত কৰাৰ এই পৰিক্ৰমাত দ্ৰৌপদীৰ সত্তাই নিৰ্বিবাদে স্বীকাৰ কৰি লোৱা স্বামীৰ এই কাৰ্য যেন নাৰীত্বৰ অৱমাননা মাথোন।

দ্ৰৌপদীৰ জীৱনৰ আটাইতকৈ কলংকিত অধ্যায় ৰাজসভাত দুঃশাসনৰ হাতত বিবস্ত্ৰ হোৱা আৰু দুৰ্যোধনৰ দ্বাৰা লাঞ্ছিতা হোৱা নিঃসহায় অৱস্থাক উপন্যাসখনত অতি মৰ্মস্পৰ্শী ৰূপত চিত্ৰিত কৰা হৈছে। গুৰুজনৰ উপস্থিতিতে, পঞ্চপতিৰ সন্মুখতে সংঘটিত হোৱা, দ্ৰৌপদীৰ ‘আত্মা’ক মধিমূৰ কৰি নিয়া এনে নাৰকীয় বৰ্বৰ লোমহৰ্ষক কাৰ্যক নাৰী মনঃস্তাত্বিক দৃষ্টিকোণৰ পৰা উপন্যাসখনত অতি সংবেদনশীলতাৰে বিশ্লেষণ কৰাৰ প্ৰয়াস কৰা হৈছে। নিজৰ ভাৰ্যাক পণ্য দ্ৰব্যৰ দৰে পাশা খেলৰ পণ হিচাপে আগবঢ়োৱা, চকুৰ সন্মুখতে লাঞ্ছিত হ’বলৈ বিনা প্ৰতিৰোধে এৰি দিয়া ধৰ্মৰ কাৰ্যত ম্ৰিয়মাণ হৈ যাজ্ঞসেনীয়ে পঞ্চপতিৰ আন্তৰিকতাক লৈ সন্দেহৰ আৱৰ্তত সোমাই পৰা দৃষ্টিভংগীক লেখিকাই অতি সূক্ষ্মাতিসূক্ষ্মভাৱে নাৰী মনঃস্তত্বৰে বিচাৰ কৰি চাইছে। এই ক্ষেত্ৰত কেৱল মাত্ৰ দ্বিতীয় পাণ্ডৱ, সহজ-সৰল, স্পষ্টবাদী নিৰ্মল অন্তৰৰ ভীমহে মাথো

ব্যতিক্ৰম যি দ্ৰৌপদীৰ মান-সম্ভ্ৰম ৰক্ষাৰ প্ৰতি সদা তৎপৰ। এই প্ৰসংগক উপন্যাসখনত সাৱলীলভাৱে দাঙি ধৰা হৈছে।

জ্যেষ্ঠ পাণ্ডৱ যুধিষ্ঠিৰৰ প্ৰসংগত ধৰ্মৰ নামত নিজ ভাৰ্যাৰ মৰ্যাদা বিসৰ্জন দিবলৈয়ো কুণ্ঠাবোধ নকৰা; যাজ্ঞসেনীৰ প্ৰতি সততে উপেক্ষাসূচক ব্যৱহাৰ প্ৰদৰ্শন কৰা; অহিংস ব্ৰত পালনৰ দোহাই দি ৰাজ মৰ্যাদা ৰক্ষাৰ ক্ষেত্ৰত তথা প্ৰজাসৱৰ প্ৰতিপালনত ব্যৰ্থ হোৱা এজন ব্যক্তি ধৰ্মাত্মা হ'লেও কাপুৰুষৰ সমতুল্য বুলি উপন্যাসখনত স্পষ্ট ৰূপত অভিব্যক্ত হৈছে। অজ্ঞাতবাসৰ সময়ছোৱাতো কীচকৰ দৰে নৰাধম পাপাত্মাৰ হাতত যুধিষ্ঠিৰৰ সন্মুখতে বিৰাট ৰজাৰ ৰাজসভাত যাজ্ঞসেনী পুনৰবাৰ নিৰ্যাতিতা হোৱা সত্বেও নিজ জায়াৰ সুৰক্ষাৰ বাবে এষাৰো মাত মতাৰ প্ৰয়োজনবোধ নকৰাৰ দৰে ঘৃণনীয় কাৰ্যক ঔপন্যাসিকাই নাৰীবাদী দৃষ্টিকোণেৰে অতি নিখুঁট ৰূপত প্ৰতিভাত কৰি তুলিছে।

প্ৰতিভা ৰায়ে তেওঁৰ উপন্যাসখনত কিৰাতবাসীৰ প্ৰসংগ উত্থাপনৰ জৰিয়তে দ্ৰৌপদী চৰিত্ৰৰ মহত্বৰ অন্য এক দিশ উন্মোচনৰ প্ৰয়াস কৰিছে। কিৰাতসকলৰ কুলপতি কিৰ্মীকৰ অনুচৰ বিৰাটৰ মাতৃহাৰা যমজ শিশুদ্বয় জম্মু আৰু কম্মুক বুকুৰ অমৃত পান কৰোৱাই প্ৰতিপালন কৰাৰ দৰে মহৎ কাৰ্যৰ মাধ্যমেদি দ্ৰৌপদীৰ মহত্তম দিশ উদ্ভাসিত হৈছে। আৰ্যকুলৰ নাৰী হৈয়ো অনাৰ্য শিশুক বক্ষামৃত পান কৰোৱাৰ দৰে কাৰ্যৰ চিত্ৰ অংকনৰ জৰিয়তে ঔপন্যাসিকাই যাজ্ঞসেনীৰ মাতৃ হৃদয়ৰ বিশালতাক ব্যঞ্জনাসিক্ত ৰূপত অভিব্যক্ত কৰিছে।

**উপসংহাৰ ঃ** মহাভাৰতৰ এক ব্যতিক্ৰমী চৰিত্ৰ, সৌন্দৰ্য আৰু প্ৰজ্ঞাৰ অপূৰ্ব সমন্বয়েৰে প্ৰৌজ্জ্বল যাজ্ঞসেনীৰ জীৱন পৰিক্ৰমাক কাব্যসিক্ত ভাষাৰে নাৰী মনঃস্তাত্বিক দৃষ্টিভংগীৰে সামাজিক প্ৰেক্ষাপটত প্ৰখ্যাত সাহিত্যিক ড° প্ৰতিভা ৰায়ে অনন্য ৰূপত উপস্থাপন কৰিছে। বিজনৰাণী কলিতাই এই উপন্যাসখনৰ সাহিত্যিক মূল্যৰ কোনো ক্ষতি নোহোৱাকৈ অনুবাদ কৰি অসমীয়া অনুবাদ সাহিত্যৰ ক্ষেত্ৰত এক বিশিষ্ট সংযোজন ঘটাইছে। 'যাজ্ঞসেনী'ৰ নাৰী সত্বাৰ অভিনৱ বিশ্লেষণৰ মাধ্যমেদি ঔপন্যাসিকাই প্ৰাচীনত্বৰ মাজতো নতুনত্বৰ স্বাদেৰে পাঠকক আস্বাদিত কৰিবলৈ সক্ষম হৈছে।

**প্ৰসংগ সূত্ৰ**

মজুমদাৰ, বিমল। সাহিত্য তত্ত্ব আৰু প্ৰয়োগ। গুৱাহাটীঃ জ্যোতি প্ৰকাশন, ২০১১। পৃঃ ২০২-২০৩। মুদ্ৰিত।

ৰায়, প্ৰতিভা। যাজ্ঞসেনী। গুৱাহাটী ঃ বাণী প্ৰকাশ, ২০১১। অনুঃ - কলিতা, বিজনৰাণী। পৃঃ ৩০। মুদ্ৰিত।

ঐ, পৃঃ ৩৭।

**গ্ৰন্থপঞ্জী**

**মুখ্য সমল**

ৰায়, প্ৰতিভা। যাজ্ঞসেনী। গুৱাহাটী ঃ বাণী প্ৰকাশ, ২০১১। মুদ্ৰিত।

**গৌণ সমল ঃ**

ঠাকুৰ, নগেন। এশ বছৰৰ অসমীয়া উপন্যাস। গুৱাহাটীঃ জ্যোতি প্ৰকাশন, ২০১২। মুদ্ৰিত।

দাস, অমলচন্দ্ৰ। সম্পা। অসমীয়া উপন্যাস পৰিক্ৰমা। গুৱাহাটী ঃ বনলতা, ২০১২। মুদ্ৰিত।

মজুমদাৰ, বিমল। সাহিত্য তত্ত্ব আৰু প্ৰয়োগ। গুৱাহাটীঃ জ্যোতি প্ৰকাশন, ২০১১। মুদ্ৰিত।